समग्रा शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ৫

দৃশ্যান্তৰ

অংশ – ৩ (প্ৰশ্নোত্তৰ)

অংগৰাগ ভূঞা



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,-
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

৭। 'দৃশ্যান্তৰ' কবিতাটোৰ কবিগৰাকীৰ চমু পৰিচয় দিয়া।



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ ৰামধেনু যুগৰ শেহতীয়া কবিসকলৰ ভিতৰত অন্যতম হৰেকৃষ্ণ ডেকাৰ ১৯৪৩ চনত তিনিচুকীয়াত জন্ম হয় । তাৰ পৰাই মেট্ৰিক পৰীক্ষাত উত্তীর্ণ হৈ কটন কলেজত পঢ়ে । ১৯৬৫ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে । গুৱাহাটীত কমার্চ কলেজত অধ্যাপনাৰে তেওঁ চাকৰি জীৱন আৰম্ভ কৰি পাছত I.P.S. বিষয়া হয় আৰু আৰক্ষী সঞ্চালক হিচাপে অৱসৰ লয় ।

সাহিত্য ক্ষেত্রখনত ডেকাৰ অৱদান অতুলনীয় । তেওঁ ' The Sentinel ' আৰু 'গৰীয়সী'ৰ সম্পাদক আছিল । 'সাগৰৰ সূৰ্যাস্ত' শীৰ্ষক কবিতাৰে ৰামধেনু'ত কাব্য চৰ্চা আৰম্ভ কৰা কবিগৰাকীৰ কবিতা পুথিকেইখন হ'ল — সয়ম্বৰ (১৯৭২) স্বৰবোৰ (১৯৭৩) , ৰাতিৰ শোভাযাত্রা (১৯৮১) , আন এজন (১৯৮৬) , কবিতা (২০০২) ভালপোৱাৰ বাবে এষাৰ (২০০৩) আৰু সানমিহলি বৰ্ণমালা (২০১০) ইত্যাদি । ' গল্প আৰু কল্প ' , মধুসূদনৰ দলং ' বন্দীয়াৰ, পোষ্ট মডার্ণ অথৱা গল্প, স্বৰ্ণবৃষ্টি, মৃত্যুদণ্ড, পাচঁৰ পিঠিত শূণ্য,

প্ৰাকৃতিক আৰু অন্যান্য আদি তেওঁৰ গল্পৰ পুথি । তেখেতৰ একমাত্ৰ উপন্যাসকেইখন হ'ল— আগন্তুক, যাত্ৰাঃ এখন অসম্পূৰ্ণ উপন্যাসৰ বাৰটা অধ্যায়, ডিটেক্টিভঃ দুখন ৰহস্য উপন্যাস। ইয়াৰ উপৰি তেওঁ কেইবাখনো পুথি অসমীয়া ভাষালৈ অনুবাদ কৰিছে । ১৯৮৭ চনত তেওঁ ' আন এজন ' কবিতা পুথিৰ বাবে সাহিত্য অকাডেমী বঁটা , ১৯৯৬ চনত কথা বঁটা'আৰু ২০১০ চনত ' অসম উপত্যকা সাহিত্য'বঁটা লাভ কৰে ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। ব্যাখ্যা কৰা —

(ক) 'মৰিলে দাহ কৰিবলৈও
এজন মানুহ নাই।'

समग्रा शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ উক্ত কবিতাফাঁকি অসমীয়া সাহিত্য চয়নিকাত সন্নিবিষ্ট হৰেকৃষ্ণ ডেকা ৰচিত 'দৃশ্যান্তৰ' নামৰ কবিতাটোৰ পৰা উদ্ধৃত কৰা হৈছে । মানুহৰ মাজৰ পৰা বৰ্তমান আত্মীয়তাৰ ভাৱ ক্ৰমাৎ হেৰাই গৈছে । তাকে ক'বলৈ কবিয়ে উক্ত কবিতাকিৰ অৱতাৰণা কৰিছে ।

আগৰ পজা ঘৰৰ ঠাইত এতিয়া সাতমহলীয়া ওখ ওখ অট্টালিকা গঢ়ি উঠিছে যিবোৰৰ এটাতকৈ আনটোৰ ৰূপ চৰা । ইয়াত ভাড়ালৈও ঘৰ পোৱা যায় । তেনে ভাড়াঘৰত থাকিও কিন্তু শান্তি নাই ।

ইয়াত মানুহ এজন ঢুকালে সৎকাৰ কৰিবলৈ যাবলৈও এজন মানুহ নাই - সকলো আত্মকেন্দ্রিক হৈ পৰিছে।

মানুহৰ মাজত ক্রমাৎ " হেৰাই যোৱা আত্মীয়তা , মানৱতাৰ কথা প্রকাশ কৰিবলৈয়ে কবিয়ে বৃদ্ধজনৰ মুখেৰে এই কথা ফাকি কৈছে । এয়া আচলতে কবিৰ আধুনিক সমাজৰ প্রতি থকা এক ক্ষোভ ।

৮। ব্যাখ্যা কৰা —

(খ) 'যখৰ পোৱালিহঁতে কাক কোনে চায়।'

উত্তৰঃ উক্ত কবিতাফাঁকি অসমীয়া সাহিত্য চয়নিকাত সন্নিবিষ্ট হৰেকৃষ্ণ ডেকা ৰচিত 'দৃশ্যান্তৰ' নামৰ কবিতাটোৰ পৰা উদ্ধৃত কৰা হৈছে । ভোগবাদী সমাজখনত মানুহ কেনেদৰে একো একোটা আবেগহীন যন্ত্রলৈ ৰূপান্তৰিত হৈ পৰিছে, সেই কথা ক'বলৈ গৈ কবিয়ে উক্ত কথাষাৰৰ অৱতাৰণা কৰিছে । ইয়াত যখৰ পোৱালী বুলি আধুনিক যুগৰ দয়া – মমতাহীন , স্বার্থপৰ মানৱ শ্রেণীক বুজাইছে । কবিয়ে পঁচিশ বছৰৰ আগতে যিজন সহজ সৰল মানুহক লগ পাইছিল তেওঁ নিজৰ পঁজা ঘৰটোতে শান্তিৰে বাস কৰিছিল ।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে আধুনিকতাই সকলো গ্ৰাস কৰিলে । কংক্ৰীটৰ নগৰীত মনুষ্যত্ব তথা মূল্যবোধ নিঃশেষ হৈ গ'ল । আধুনিকতাৰ ধামখুমিয়াত মানুহে মানৱীয়তা , দয়া আদি মানৱীয় গুণৰাশি পাহৰি গ'ল । সেয়েহে এসময়ত পঁজা ঘৰটিতে থাকি শান্তি পোৱা মানুহজনে এতিয়া অট্টালিকাত থাকিও শান্তি পোৱা নাই । সেইবাবেই তেওঁ পঁচিশ বছৰৰ পাছত অট্টালিকাটোৰ সন্মুখত লগ পোৱা কবিক কৈছে যে যদিহে কবিয়ে সেই কুবেৰৰ মহলাত ভাড়াঘৰ বিচাৰি আহিছিল, তেন্তে ভাড়াঘৰ পোৱাৰ আশা কম ।

পালেও তাত শান্তিত থাকিব নোৱাৰিব । তাত থকা মানুহবোৰক তেওঁ যখৰ পোৱালি আখ্যা দি কৈছে যে মানুহবোৰ কেৱল নিজক লৈ ব্যস্ত । কাৰোৰে আনলৈ চাবলৈ সময় নাই । বস্তুবাদী সমাজখনত সকলোবোৰ যেন একো একোটা যন্ত্র হৈ পৰিছে । সেয়ে কবিয়ে বর্তমানৰ দয়া মমতা আবেগহীন মানুহক যখৰ পোৱলি বুলি অভিহিত কৰিছে ।

৮। ব্যাখ্যা কৰা —

(গ) 'এই কংক্রীটৰ হাবিখনত তেওঁক বিচাৰি নাপালোঁ আৰু।'

समग्रा शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ উক্ত কবিতাফাঁকি অসমীয়া সাহিত্য চয়নিকাত সন্নিবিষ্ট হৰেকৃষ্ণ ডেকা ৰচিত 'দৃশ্যান্তৰ' নামৰ কবিতাটোৰ পৰা উদ্ধৃত কৰা হৈছে। কংক্রীটৰ সমাজখনত ক্রমাৎ মানুহবোৰ হেৰাই গৈছে, লগতে মানুহৰ মাজৰ মানৱতা, দয়া, মমতা হেৰাই গৈছে। এই ৰূঢ় বাস্তৱ প্রকাশ কৰিবলৈ কবিয়ে এই কবিতাফাকি কবিতাটিৰ শেষত অৱতাৰণা কৰিছে। পঁচিশ বছৰৰ আগতে দেখা পজাঘৰটিৰ চিনমোকাম নোহোৱা হৈ বর্তমান তাত ওখ ওখ অট্টালিকা গঢ়ি উঠিছে।

যিবোৰৰ ৰূপ ইটোতকৈ সিটো চৰা । সেই কংক্রীটৰ ওখ ওখ প্রাচীৰৰ মাজত ভাড়ালেও ঘৰ পোৱা যায় , কিন্তু তাত শান্তি নাই । মৰিলে সৎকাৰ কৰিবলৈ মানুহৰ সময়ৰ অভাৱ । যখৰ পোৱালি স্বৰূপ এওঁলোক কোনেও কাকো চিনি নাপায় । বৃদ্ধজনে মনৰ মাজৰ ক্ষোভ প্রকাশ কৰি কংক্রীটৰ ওখ ওখ অট্টালিকাৰে গঢ়া হাবিৰ মাজত সোমাই গ'ল । তেওঁক আৰু বিচাৰি পোৱা নগ'ল । এইদৰে প্রতিজন লোকেই নিজৰ মাজতে হেৰাই যাব ধৰিছে । কবিতাফাকিৰ মাজেৰে কবিয়ে এইদৰে খেদ প্রকাশ কৰিছে ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

ভাষা-বিষয়ক :

১। বিপৰীত শব্দ লিখা —

কেঁচা, গধূলি, পোহৰ, শান্তি, ৰূপ।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

কেঁচা — পকা।

গধূলি — পুৱা।

পোহৰ — আন্ধাৰ।

শান্তি — অশান্তি

ৰূপ — অৰূপ



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। এটাকৈ সমার্থক শব্দ লিখা —

জোন, ঘৰ, চৰা, দাহ, উভতি।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

জোন — চন্দ্ৰ ।

ঘৰ — ভৱন ।

চৰা — বৰ্ধিত ।

দাহ — সৎকাৰ ।

উভতি — গুছি ।



৩। নঞৰ্থক শব্দ গঠন কৰা —

শান্তি, চিনাকি, সহায়।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

শান্তি — ন + শান্তি = অশান্তি

চিনাকি — ন + চিনাকি = অচিনাকি

সহায় — ন + সহায় = অসহায় ।



৪। 'নমস্কাৰ' শব্দটো সন্ধি ভাঙিলে এনে হ'ব—

নমঃ + কাৰ।

এইদৰে আন চাৰিটা শব্দ লিখি সন্ধি ভাঙা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



উত্তৰঃ

পুৰঃ + কাৰ = পুৰস্কাৰ ।

মনঃ + তাপ = মনস্তাপ

বাচঃ + পতি = বাচস্পতি

তিৰঃ + কাৰ = তিৰস্কাৰ